**REGIONAL NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 02-10-2025**
**Time : 21-25 Hrs**

## ASSAMESE NIGHT BULLETIN

**::::::::::::::::::**

ষষ্ঠীত প্ৰতিষ্ঠা কৰা শক্তিৰূপিনী দেৱী দুৰ্গাক আজি বিজয়া দশমীত যথাবিহিত ৰীতি-নীতিৰে বিসৰ্জন দিয়া হয়। অৱশ্যে বিভিন্ন স্থানত কাইলৈহে দেৱীৰ মৃন্ময় প্ৰতিমা বিসৰ্জন দিয়া হ'ব।

প্ৰতিকুল বতৰৰ মাজতে **গুৱাহাটী** মহানগৰীৰ পাঁচটাকৈ ঘাটত বিসৰ্জন প্ৰক্ৰিয়া বৰ্তমানো চলি আছে। আৰক্ষী প্ৰশাসনে জাৰি কৰা নীতি-নিৰ্দেশনা অনুসৰি লাচিত ঘাট, পাণ্ডু ঘাট, চুণচালিকে ধৰি পাঁচটা ঘাটত বিসৰ্জন প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। বিশেষকৈ বাট পথসমূহত যান-জঁটৰ সমস্যা লাঘব কৰাৰ বাবে যান বাহন আৰক্ষীয়ে বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে। গুৱাহাটীত এইবাৰ ৫ শতাধিক পূজা সম্পন্ন হোৱা হেতুকে পৰ্যায়ক্ৰমে লাচিত ঘাট আৰু পাণ্ডু ঘাটত আজি আৰু কাইলৈ প্ৰতিমাসমূহ বিসৰ্জন দিব পাৰিব বুলি প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰিছে।

**শিৱসাগৰ** জিলাৰ থানামুখ অঞ্চলৰ দিখৌ নৈৰ ঘাটত কটকটীয়া সুৰক্ষা ব্যৱস্থাৰ মাজেৰে দশভূজাৰ প্ৰতিমা বিসৰ্জন পৰ্ব অনুষ্ঠিত হয়।

**ডিব্ৰুগড়** জিলা প্ৰশাসনে জিলাখনৰ ব্ৰহ্মপুত্ৰৰ কাছাৰীঘাটত দেৱী বিসৰ্জনৰ ব্যৱস্থা কৰিছে।

**যোৰহাট** জিলাৰ পূজাডুবি বিসৰ্জন ঘাটত জিলাখনৰ প্ৰতিমাসমূহ বিসৰ্জন দিয়া হয়।

ৰাজ্যৰ অন্য জিলাসমূহৰ দৰে **ধেমাজি**তো শান্তিপূৰ্ণভাৱে বিসৰ্জন প্ৰক্ৰিয়া চলি আছে।

**ডিমা হাচাওৰ** হাফলঙতো যথা ৰীতি-নীতিৰে বিজয়া দশমী উদযাপন কৰা হয়। জিলাখনৰ প্ৰায় ২০ খন পূজা সমিতিয়ে শোভাযাত্ৰাৰ অন্তত দিয়ুং নৈত প্ৰতিমাসমূহ বিসৰ্জন দিয়ে।

**কাছাৰ** জিলাতো আজি দেৱী দুৰ্গাৰ বিসৰ্জন পৰ্ব অব্যাহত আছে। শিলচৰৰ সদৰঘাট বিসৰ্জনস্থলীত বৰাক নৈত পৰম্পৰাগত ৰীতি-নীতিৰে প্ৰতিমাসমূহ বিসৰ্জন দিয়া হৈছে।

**শ্ৰীভূমি জিলা**ৰ বদৰপুৰ বিসৰ্জন ঘাট, মালুৱা, শ্ৰীগৌৰ ঘাটসহ প্ৰধান প্ৰধান ঘাটসমূহত বিসৰ্জন প্ৰক্ৰিয়া অব্যাহত আছে।

**গোৱালপাৰা** জিলাৰ ৩৬ খন পূজা সমিতিয়ে চহৰখনৰ কাছাৰীঘাটত প্ৰতিমাসমূহ বিসৰ্জন দিয়ে।

**দক্ষিণ শালমাৰা মানকাচৰ** জিলাৰ লগতে অসম-মেঘালয় সীমান্তৱৰ্তী মেঘালয়ৰ অৰ্ধশতাধিক পূজা মণ্ডপত বিজয়া দশমী উদযাপন কৰা হয়।

**দৰং** জিলাত আজি দিনৰ ১২ বজাত বিসৰ্জন পৰ্ব আৰম্ভ হয়। এই প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে আৰক্ষী, এছ ডি আৰ এফ আৰু অন্যান্য বিভাগৰ কৰ্মীসকলক সক্ষম কৰি ৰখা হৈছে।

**ধুবুৰী** জিলাৰ তিনিটা ঘাটত বৈদিক নীতি-নিয়মেৰে দেৱী বিসৰ্জন প্ৰক্ৰিয়া চলি আছে।

**বৰপেটা** জিলাতো শান্তিপূৰ্ণভাৱে বিজয়া দশমী উদযাপন কৰা হয়। জিলা প্ৰশাসনে নিৰ্ধাৰণ কৰা নীতি-নিৰ্দেশনাৰ মাজেৰে ঘাটসমূহত বিসৰ্জন প্ৰক্ৰিয়া চলি আছে।

বিজয়া দশমী আৰু দশেৰা উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমগ্ৰ দেশবাসীক শুভেচ্ছা জনায়।

০০০০০০

বহিঃ ৰাজ্য চেন্নাইৰ কৰ্মস্থানত কাম কৰি থকা অৱস্থাত মৃত্যু হোৱা হোজাইৰ ৫ জন যুৱকৰ ঘৰত হোজাইৰ জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতী আজি উপস্থিত হৈ পৰিয়ালৰ লোকসকলৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে।

*(বাইট ঃ ভাগৱতী)*

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, চেন্নাইৰ তিৰুৱাল্লৰ জিলাৰ এননোৰ তাপবিদ্যুৎ কেন্দ্ৰত যোৱা মঙলবাৰে কাম কৰি থকা অৱস্থাত প্ৰায় ৪৫ ফুট উচ্চতাৰ পৰা পৰি এই যুৱক কেইজনৰ মৃত্যু হৈছিল। মৃত যুৱক কেইজন ক্ৰমে হোজাইৰ নভঙাৰ দীপক ৰাইজুং, পৱন চৰং, প্ৰয়ান্ত চৰং, সুমন খাৰিকাপ আৰু কুমুৰাকটাৰ ডিমাৰাজ থাউচেন। ৰাজ্য চৰকাৰে মৃত যুৱক কেইজনৰ নশ্বৰ দেহ ঘৰলৈ অনাৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ আদি কৰ্মযোগী অভিযানৰ অধীনত আজি তিনিচুকীয়া জিলাৰ ৪৩ খন জনজাতীয় বসতিপ্ৰধান গাঁৱত বিশেষ গাঁও সভা অনুষ্ঠিত হয়। অভিযানৰ অধীনত গাঁৱৰ বিকাশৰ বাবে যুগুতোৱা বিভিন্ন আঁচনিত এই সভাত অনুমোদন জনোৱা হয়। আজি গান্ধী জয়ন্তী উপলক্ষে দেশজুৰি এক লাখ জনজাতীয় গাঁৱত এনে গাঁওসভা অনুষ্ঠিত হয়। ইয়াৰ লগে লগে ১৭ ছেপ্তেম্বৰত আৰম্ভ হোৱা সেৱা পৰ্বৰো আজি সামৰণি পৰে। এই কাৰ্যসূচীৰ অধীনত দেশৰ জনজাতীয় বসতিপ্ৰধান ভিতৰুৱা অনগ্ৰসৰ অঞ্চলসমূহকো দেশৰ আন অংশৰ সৈতে সমানে আগবঢ়াই নিয়াৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে।

০০০০০০

ধেমাজি জিলাৰ জ্যেষ্ঠ অধিবক্তা, সমাজকৰ্মী তথা ধেমাজি নগৰ তিনি নম্বৰ ৱাৰ্ডৰ ৰতনপুৰ নিবাসী কেশৱ চন্দ্ৰ সোণোৱালৰ আজি হৃদৰোগৰ ক্ৰিয়া বন্ধ হৈ গুৱাহাটীৰ এখন ব্যক্তিগত হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭০ বছৰ। কেশৱ চন্দ্ৰ সোণোৱালৰ মৃত্যুত সমগ্ৰ ধেমাজি জিলাতে শোকৰ ছাঁ পৰে।

০০০০০০

কাছাৰ জিলাৰ শিলচৰ মেহেৰপুৰত বটেৰতল শিৱ মন্দিৰৰ সমীপত আজি পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত এজন লোকৰ থিতাতে মৃত্যু হয়। আমাৰ সংবাদদাতাই জনোৱা মতে পুৱাৰ ভাগত এখন বাহনে পথৰ কাষত ৰখাই থোৱা এখন ট্ৰাকত কাম কৰি থকা অৱস্থাত এজন লোকক খুন্দা মৰাত লোকজনৰ থিতাতে মৃত্যু হয়। লোকজন সুশীল দাস বুলি জানিব পৰা গৈছে।

০০০০০০

সমাপ্ত